**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-06-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

ৰাজ্যিক মন্ত্ৰীসভাই ভূমি ৰূপান্তৰ বিধি অধিক সৰল কৰি তোলাৰ উদ্দেশ্যে অসম ভূমি পুনৰ শ্ৰেণীভুক্তকৰণ তথা হস্তান্তৰ নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৬ ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০- হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ আগত কয়, যে ৰাজ্যত উদ্যোগিক আৰু বাণিজ্যিক বিনিয়োগত উদগণি যোগোৱাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এই বিধেয়কখন বিধানসভাৰ আসন্ন বাজেট অধিবেশনত উত্থাপন কৰা হব। ইয়াৰ অধীনত ক্ষুদ্ৰ, খাদী উদ্যোগ আৰু সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে স্বয়ংক্ৰিয়ভাৱে ভূমি ৰূপান্তৰৰ অনুমতি লাভ কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই কয় যে সুলভ মূল্যৰ দোকানসমূহৰ কাম-কাজ নিৰৱচ্ছিন্নভাৱে অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক সুকলমে খাদ্য বিতৰণৰ বাবে ৰাজ্যৰ সকলো সুলভ মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰৰ বৈধ্যতাৰ সময়সীমা ৩০ জুনৰ পৰিৱৰ্তে ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে বৈঠকত অসম চাহ নিগম লিমিটেডক ৯ কোটি ৭৫ লাখ টকাৰ পুজি মুকলি কৰি দিয়াত অনুমোদন দিয়া হৈছে। এই পুজি অসম চাহ নিগম লিমিটেডে কাৰ্যবাহী বিষয়াসকলৰ স্বেচ্ছামূলক অৱসৰৰ বাবে ব্যৱহাৰ কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে মন্ত্ৰীসভাই গ্ৰামাঞ্চলত ব্যক্তিগত বিশ্ববিদ্যালয় স্থাপনৰ বাবে ন্যূনতম ভূমিৰ প্ৰয়োজনীয়তা ৬০ বিঘাৰ পৰা ৩৫ বিঘালৈ আৰু চহৰাঞ্চলৰ ৩০ বিঘাৰ পৰা ২১ বিঘালৈ হ্ৰাস কৰাৰ ক্ষেত্ৰতো অনুমোদন দিছে। তেওঁ কয় যে নিৰ্ধাৰিত শৈক্ষিক আৰু সুৰক্ষাৰ মান নিশ্চিত কৰাৰ লগতে বিদ্যালয় শিক্ষাখণ্ডত প্ৰস্তাৱৰ অধীনত চৰ অঞ্চলৰ বাবে প্ৰাথমিক বিদ্যালয়ৰ পৰা মাধ্যমিক বিদ্যালয়ৰ প্ৰয়োজনীয় ন্যূনতম বিল্ট আপ এলেকা এক বিঘা আৰু গ্ৰামাঞ্চলৰ বাবে ৩ বিঘা কৰা হৈছে। এনে বিদ্যালয়ত অনাময় ব্যৱস্থা, খোৱাপানী, চাৰিসীমাৰ দেৱাল, দুৰ্যোগ প্ৰশমন তথা দিব্যাংগসকলৰ বাবে অনুকুল ব্যৱস্থা বাধ্যতামূলক হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে বৈঠকত ৰাজ্যৰ হোমষ্টে'সমূহৰ পঞ্জীয়ন সন্দৰ্ভত কেইবাটাও সিদ্ধান্ত লোৱা হৈছে বুলি সদৰী কৰে। হোমষ্টে'সমূহে তিনি বছৰৰ মূৰে মূৰে পঞ্জীয়ন নৱীকৰণ কৰিব লাগিব আৰু কোঠাৰ সংখ্যা ৬ৰ পৰা ৮লৈ বৃদ্ধি কৰিব পাৰিব বুলি বৈঠকত সিদ্ধান্ত লোৱা হয়। এটা প'ৰ্টেলত এই পঞ্জীকৰণ নৱীকৰণ কৰিব লাগিব। তেওঁ লগতে জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে বুলি প্ৰকাশ কৰে। ড০ শৰ্মাই কয় যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ সচিব বিক্ৰম মিশ্ৰীয়ে এই কথা ইতিমধ্যে স্পষ্ট কৰিছে। ০০০

০০০০

ৰাজ্যৰ বিশিষ্ট ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ, সংগীত শিল্পী পখিলা লেক্‌থেপি আৰু যোগেশ দেউৰীক আজি পদ্মশ্ৰীৰে সন্মানিত কৰা হয়। কবিন্দ্ৰ পুৰকায়স্থলৈ মৰনোত্তৰভাৱে  পদ্মশ্ৰী সন্মানেৰে বিভূসিত কৰা হয়।

আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত চলিত বৰ্ষৰ পদ্ম সন্মান প্ৰদান কাৰ্যসূচীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শিল্পীগৰাকীক পদ্মশ্ৰী সন্মান প্ৰদান কৰে। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, গৃহ মন্ত্ৰী অমিত শ্বাহ, বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

ৰাজ্যত বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ অভিযানৰ অধীনত ৰূপান্তৰমূলক আৰু সজাগতা কাৰ্য্যসূচী গ্ৰহণ সন্দৰ্ভত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই বিভাগীয় বিষয়াসকলৰ পৰা বুজ লয়। আজি গুৱাহাটীত বিভাগীয় আয়ুক্তৰ কাৰ্য্যালয়ত অনুষ্ঠিত পৰ্য্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে ৰাজ্যজুৰি ৰূপায়িত বিভিন্ন আঁচনি আৰু ১০০ দিনীয়া কাৰ্য্যপন্থাৰ অগ্ৰগতিৰ বুজ লয়। ব্যক্তিগত হিতাধিকাৰী আঁচনিৰ অধীনত হিতাধিকাৰী চিনাক্তকৰণ, চাহ বাগিছাৰ পথ, মহিলাৰ নেতৃত্বত পৰিচালিত গ্ৰামীণ হাট আৰু প্ৰতিখন গাঁও পঞ্চায়তত ১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পেভাৰ ব্লক পথ নিৰ্মাণ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত অসমে শেহতীয়াকৈ ২২ লাখ গৃহ নিৰ্মাণ সম্পূৰ্ণ কৰাটো গৌৰৱৰ বিষয়। এই আঁচনিখনৰ ভৱিষ্যত পৰিকল্পনা সম্পৰ্কেও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাম-কাজৰো মন্ত্ৰীগৰাকীয়ে পৰ্য্যালোচনা কৰে। ২০২৬-২৭ বৰ্ষৰ ৰাজ্যিক বাজেটত প্ৰস্তাৱিত আৱণ্টন, খালী পদ পূৰণৰ বাবে নিযুক্তি প্ৰক্ৰিয়া ত্বৰান্বিত কৰাকে ধৰি কেইবাটাও বিষয়ত আলোচনা অনুষ্ঠিত হয় বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা পৰ্তুগাল উজবেকিস্তানৰ আৰু ইংলেণ্ড ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পৰ্তুগাল-উজবেকিস্তানৰ খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১০ বজাত আৰু ইংলেণ্ড-ঘানাৰ খেলখন নিশা ডেৰ বজাত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে বিশ্বকাপৰ এখন খেলত আজি পুৱা আলজেৰিয়াই জৰ্ডানক ২-১ গ'লত আৰু ন'ৰৱেই ছেনেগালক ৩-২ গ'লত পৰাস্ত কৰি ৰাউণ্ড থাৰ্টি-টুত প্ৰৱেশ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ